# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 20-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে দেশৰ ভিতৰতে তৃতীয় সৰ্বাধিক পৰ্যটক অহা ৰাষ্ট্ৰীয় উদ্যান হিচাপে অভিলেখ গঢ়িছে। ২০২৪ চনৰ পহিলা অক্টোবৰৰ পৰা যোৱা ১৮ মে'লৈ ৰাষ্ট্ৰীয় উদ্যানখনলৈ আগমন ঘটা ঘৰুৱা দৰ্শনাৰ্থীৰ সংখ্যা ৩৫ শতাংশ আৰু আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যটকৰ সংখ্যা ২৫ শতাংশ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয় যে চৰকাৰে ৰাজ্যখনক পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলাৰ বাবে অবিৰতভাৱে কাম কৰি আছে। অসমৰ শান্তিপূৰ্ণ বাতাবৰণেও পৰ্যটন খণ্ডৰ প্ৰসাৰত অৰিহণা যোগাইছে বুলি তেওঁ মন্তব্য কৰে।

0000

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেছনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেছনক পৰহিলৈ অমৃত ভাৰত ষ্টেছনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই আজি নগাওঁত এখন সংবাদমেলযোগে এই বিষয়ে প্ৰকাশ কৰে। পৰহিলৈ এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত, ১৮৮৭ চনতে স্থাপিত হয়বৰগাঁও ষ্টেছনক আধুনিক ৰূপত সজাই তোলা হৈছে। অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

0000

বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে আবেদনৰ সময়সীমা পুনৰ ৩১ মে'লৈ বৃদ্ধি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনত শিক্ষকসকলে একক আৰু পাৰস্পৰিক বদলিৰ বাবে www.hrmsassam.in পোৰ্টেলৰ জৰিয়তে ৩১ মে'ৰ মাজনিশা পৰ্যন্ত আবেদন কৰিব পাৰিব। বদলিৰ বাবে কোনো অফলাইন আবেদন গ্ৰাহ্য কৰা নহব বুলি নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে।

0000

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় পৌৰ নিগম পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰে আৰু চহৰখনৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ চহৰখনৰ কৃত্ৰিম বান সমস্যাৰ সমাধান, নলা নৰ্দমাৰ সু ব্যৱস্থাপনা, বাট পথৰ উন্নীতকৰণ, চহৰৰ সৌন্দৰ্য বৰ্ধনকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰে। তেওঁ লগতে সমস্যাসমূহৰ সমাধানৰ বাবে যাৱতীয় কাম ক্ষীপ্ৰতাৰে সম্পন্ন কৰিবলৈ বিষয়ববীয়াসকলক আহ্বান জনায়। ৰাজ্যৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, মেয়ৰ ডাঃ ছৈকত পাত্ৰ, উপ পৌৰপতি উজ্বল কুমাৰ ফুকনৰ লগতে পৌৰ নিগমৰ ভালেসংখ্যক জ্যেষ্ঠ বিষয়া বৈঠকত উপস্থিত থাকে।

০০০০

জলসম্পদ মন্ত্ৰী পিযুছ  হাজৰিকাই আজি গোলাঘাট জিলাৰ অন্তৰ্গত বংকোৱালৰ ৰিৰি গাওঁত ব্ৰহ্মপুত্ৰই খহনীয়া সৃষ্টি কৰা স্থানসমূহ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে বাৰিষা কালৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি যথাশীঘ্ৰে খহনীয়া প্ৰতিৰোধৰ কাম সম্পূৰ্ণ কৰিবলৈ জলসম্পদ বিভাগৰ অভিযন্তা বিষয়াক নিৰ্দেশ দিয়ে। ব্ৰহ্মপুত্ৰৰ মথাউৰি চিগা অংশটো ছটা মেগা জিঅ' টিউবৰ সহায়ত অতি কম দিনৰ ভিতৰতে সংযুক্ত কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

গোৱালপাৰা জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে বাৰিষা কালত ডেংগী, মেলেৰীয়া, জাপানীছ এনছেফেলাইটিচ আদি বাহকজনিত ৰোগ নিয়ন্ত্ৰণৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

এনে ব্যৱস্থাৰ অংশ হিচাপে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত বাহকজনিত ৰোগৰ সংক্ৰমন নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত ল'বলগীয়া ভূমিকা সম্পৰ্কে আলোচনা কৰা হয় আৰু বিভিন্ন বিভাগৰ বিষয়াসকলক প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ নিৰ্দেশ দিয়া হয়।

সেই অনুসৰি  জিলাখনত জ্বৰত আক্ৰান্ত হৈ চিকিৎসালৈ বা স্বাস্থ্য কেন্দ্ৰলৈ অহা ৰোগীৰ তেজ পৰীক্ষা কৰাটো বাধ্যতামূলক কৰা হৈছে আৰু সন্দেহজনক সকলো ৰোগীৰ তথ্য ততালিকে জিলা পৰ্যায়ৰ সমিতি বা নডেল বিষয়ালৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০

নগাঁও জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জল আৰু অনাময় অভিযান সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও, ধিং আৰু কলিয়াবৰ উপ-সংমণ্ডলত স্বচ্ছ ভাৰত অভিযান- গ্ৰামীণ আৰু জলজীৱন মিছনৰ অধীনত ঘৰে ঘৰে নলযোগে পানী সংযোগ প্ৰদান, পানীৰ গুণগত মান পৰীক্ষা আদি বিভিন্ন দিশত পৰ্যালোচনা কৰা হয়। বৈঠকত স্বচ্ছ ভাৰত অভিযানৰ অধীনত নিৰ্মীয়মান শৌচাগাৰসমূহৰ বৰ্তমান স্থিতিৰ সন্দৰ্ভতো আলোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে জাবৰ নিষ্কাষণৰ দিশত গুৰুত্ব কৰি এইক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০

অসমে আজি ত্ৰিপুৰাক ৯ উইকেটত পৰাস্ত কৰি ছোৱালীৰ ১৫ বছৰ অনুৰ্ধৰ নৰ্থ ইষ্ট ৰাইজিং কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰে।  উত্তৰ গুৱাহাটীৰ ফুলুংস্থিত এ ছি এ ক্ৰিকেট একাডেমীৰ খেলপথাৰত অনুষ্ঠিত ফাইনেল খেলখনত ত্ৰিপুৰাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৭৭ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত অসমে ১১ অভাৰ আৰু ৩ টা বলত এটা উইকেট হেৰুৱাই সহজে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীত অনুষ্ঠিত এখন খেলত চেন্নাই চুপাৰ কিংছে ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ১৮৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত চেন্নাই দলে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৮৭ ৰাণ সংগ্ৰহ কৰে।

০০০০

সমাপ্ত